**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-12-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ইছৰোৱে আজি অন্ধ্ৰ প্ৰদেশৰ শ্ৰীহৰিকোটাৰ পৰা ভৱিষ্যত প্ৰজন্মৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ যোগাযোগ কৃত্ৰিম উপগ্ৰহ ব্লু বাৰ্ড ব্লক-টু সফলতাৰে উৎক্ষেপন কৰে।

২। উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰীয়ে ব্লু বাৰ্ড ব্লক-টুৰ সফল উৎক্ষেপনৰ বাবে ইছৰোৰ বিজ্ঞানীসকলক অভিনন্দন জনাইছে।

৩। কেন্দ্ৰীয় কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহানে জী ৰাম জী আঁচনিৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ অংশ প্ৰায় ৯৫ হাজাৰ কোটি টকালৈ বৃদ্ধি কৰা হৈছে।

৪। ওড়িশাৰ বাৰ্গৰত আজিৰেপৰা এঘাৰদিনীয়া কাৰ্যসূচীৰে বিশ্ব বিখ্যাত **ধনু যাত্ৰা** শীৰ্ষক মুকলি থিয়েটাৰ মহোৎসৱ অনুষ্ঠিত হ'ব।

*আৰু*

৫। দিল্লী আৰু ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰত আজি ঘন কুঁৱলীৰ বাবে বিমান আৰু ৰে'ল সেৱা ব্যাহত হয়।

০০০০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৱে আজি অন্ধ্ৰ প্ৰদেশৰ শ্ৰীহৰিকোটাৰ পৰা ইয়াৰ সবাতোকৈ গধুৰ মহাকাশযান LMV3-M6ৰ সহায়ত ভৱিষ্যত প্ৰজন্মৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ যোগাযোগ কৃত্ৰিম উপগ্ৰহ ব্লু বাৰ্ড ব্লক-টু সফলতাৰে উৎক্ষেপন কৰে। ভাৰতীয় সময় অনুসৰি পুৱা ৮ বাজি ৫৫ মিনিটত সতীশ ধাৱান মহাকাশ কেন্দ্ৰৰ পৰা এই উৎক্ষেপন সম্পন্ন কৰা হয়। প্ৰায় ১৫ মিনিটজোৰা উৰণৰ পাছত ব্লু বাৰ্ড ব্লক-টু নামৰ কৃত্ৰিম উপগ্ৰহটো মহাকাশযানৰ পৰা পৃথক হৈ পৰে আৰু উপগ্ৰহটো নিৰ্দিষ্ট কক্ষপথত স্থাপন কৰা হয়।

ইছৰোৰ অধ্যক্ষ ভি নাৰায়ণনে আমেৰিকা যুক্তৰাষ্ট্ৰৰ AST Space Mobile নামৰ কোম্পানীটোৰ ব্লু বাৰ্ড ব্লক-টুৰ সফল উৎক্ষেপনক প্ৰশংসা কৰে আৰু ইয়াক ভাৰতৰ ভূমিৰ পৰা ভাৰতীয় মহাকাশযানেৰে উৎক্ষেপন কৰা সবাতোকৈ গধুৰ উপগ্ৰহ বুলি মন্তব্য কৰে। শ্ৰীনাৰায়ণনে কয় যে উপগ্ৰহটো নিখুঁটভাৱে নিৰ্দিষ্ট কক্ষপথত স্থাপন কৰা হৈছে আৰু ইছৰোৰ বাবে এয়া উল্লেখযোগ্য সাফল্য। ব্লু বাৰ্ড ব্লক-টু অভিযান উপগ্ৰহৰ জৰিয়তে পোনপটীয়াকৈ মোবাইল সংযোগ প্ৰদান কৰাৰ বাবে গোলকীয় পৃথিৱীৰ নিম্ন কক্ষপথ তাৰামণ্ডলৰ অংশ। এই তাৰামণ্ডলে সকলো সময়তে, সকলোৰে বাবে সকলো ঠাইতে ফৰ-জি আৰু ফাইভ-জি ভইচ আৰু ভিডিঅ' কল, বাৰ্তা, ষ্ট্ৰীমিং আৰু ডাটাসেৱা উপলব্ধ কৰোৱাত সহায় কৰিব। ইছৰোৰ বাণিজ্যিক শাখা নিউ

স্পেচ ইণ্ডিয়া লিমিটেড আৰু আমেৰিকাৰ AST Space Mobile নামৰ কোম্পানীৰ মাজত হোৱা বাণিজ্যিক চুক্তিৰ অধীনত এই অভিযান আৰম্ভ কৰা হৈছে।

উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰীয়ে ব্লু বাৰ্ড ব্লক-টুৰ সফল উৎক্ষেপনৰ বাবে ইছৰোৰ বিজ্ঞানীসকলক অভিনন্দন জনাইছে। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ভাৰতীয় ভূমিৰ পৰা পৃথিৱীৰ নিম্ন কক্ষপথত সবাতোকৈ গধুৰ উপগ্ৰহ স্থাপন কাৰ্যক ভূয়সী প্ৰশংসা কৰে। তেওঁ লগতে মহাকাশ প্ৰযুক্তি, গধুৰ উপগ্ৰহ উৎক্ষেপনৰ সামৰ্থ্য বৃদ্ধি আৰু গোলকীয় বাণিজ্যিক উৎক্ষেপন বজাৰত নিজৰ স্থিতিৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত দেশৰ অগ্ৰণী ভূমিকাৰ বিষয়ে আলোকপাত কৰে। এই সাফল্যৰ জৰিয়তে ভাৰতে মহাকাশ ক্ষেত্ৰত ক্ৰমাৎ নতুন শিখৰত উপনীত হোৱাৰ লগতে আত্ম-নিৰ্ভৰ ভাৰতৰ দিশত লোৱা গৌৰৱময় প্ৰচেষ্টা প্ৰতিফলিত হোৱা বুলি তেওঁ উল্লেখ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে এই সাফল্যক দেশৰ মহাকাশ যাত্ৰাৰ উল্লেখযোগ্য মাইলৰ খুঁটি বুলি অভিহিত কৰে। তেওঁ কয় যে এই উৎক্ষেপনৰ জৰিয়তে ভাৰতৰ উৎক্ষেপন ক্ষমতা অধিক দৃঢ় হৈছে আৰু গোলীকয় বাণিজ্যিক উৎক্ষেপন বজাৰত ভাৰতৰ স্থিতি সবল হৈছে। এই উৎক্ষেপনে আত্মনিৰ্ভৰ ভাৰতৰ দিশত দেশৰ প্ৰচেষ্টাক প্ৰতিফলিত কৰা বুলিও প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। শ্ৰীমোদীয়ে লগতে দেশৰ কঠোৰ পৰিশ্ৰমী মহাকাশ বিজ্ঞান আৰু অভিযন্তাসকলক শুভেচ্ছা জ্ঞাপন কৰে।

শ্ৰীমোদীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে  যুৱ প্ৰজন্মই দেশৰ মহাকাশ কাৰ্যসূচীক অধিক উন্নত আৰু ফলপ্ৰসূ কৰি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। তেওঁ কয় যে LMV3 মহাকাশযানে গধুৰ উপগ্ৰহ উৎক্ষেপনৰ ক্ষেত্ৰত নিৰ্ভৰযোগ্যতাৰ পৰিচয় দিয়াৰ লগতে ইছৰোৰ গগনযানৰ দৰে ভৱিষ্যৎ অভিযানসমূহৰ বাবে ভেটি সবল কৰি তুলিছে। ইছৰোই বাণিজ্যিক উৎক্ষেপন সেৱাৰ সম্প্ৰসাৰণ কৰিছে আৰু গোলকীয় পৰ্যায়ত সহযোগিতা সুদৃঢ় কৰি তুলিছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে এই বৰ্ধিত সামৰ্থ্য আৰু আত্মনিৰ্ভৰশীলতাৰ মনোভাৱ ভৱিষ্যৎ প্ৰজন্মৰ বাবে উত্তম বুলি বিবেচিত হ'ব।

বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশে ইটোৰ পাছত সিটোকৈ সাফল্য অৰ্জন কৰিবলৈ সমৰ্থ্য হৈছে আৰু ইয়াৰ জৰিয়তে মহাকাশ প্ৰযুক্তিৰ ক্ষেত্ৰত দেশত বৰ্ধিত শক্তি প্ৰতিফলিত হৈছে।

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহেও ব্লু-বাৰ্ড ব্লক-টুৰ সফল উৎক্ষেপনৰ বাবে ইছৰোৰ বিজ্ঞানীসকলক শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ কয় যে আজি উৎক্ষেপন কৰা এই উপগ্ৰহটোৱে সমগ্ৰ বিশ্বৰ যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰি তুলিব।

০০০০০০০

কেন্দ্ৰীয় কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহানে কয়, যে কেন্দ্ৰীয় চৰকাৰৰ বিকশিত ভাৰতৰ **জী ৰাম জী** আঁচনিৰ অধীনত এম জি এনৰেগা আঁচনিৰ পূৰ্বৰ  ৮৬হাজাৰ কোটি টকা মূল্যৰ ব্যয়ৰ বিপৰীতে বৰ্তমানৰ **জী ৰাম জী** আঁচনিৰ ৯৫ হাজাৰ কোটি টকা মূল্যৰ অধিক অনুদান আগবঢ়োৱা হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে যে, বৰ্তমানৰ চৰকাৰখনে গ্ৰাম্য নিয়োগৰ দিশত বহনক্ষম আৰু উন্নতিশীল সহযোগিতাৰে দেশৰ গ্ৰাম্য জনসাধাৰণক সহায় আগবঢ়াই আহিছে। এখন ইংৰাজী বাতৰি কাকতত প্ৰকাশিত এটা লেখাত উল্লেখ থকা মতে, চলিত বৰ্ষৰ ৰোজগাৰ আৰু আজীৱিকা গ্ৰামীণ আইনৰ মতে ১২৫ দিনৰ নিয়োগ সুনিশ্চিত কৰাত গুৰুত্ব দিয়া হৈছে। তেওঁ

লগতে জানিবলৈ দিয়ে যে এই আঁচনিৰ অধীনত ৰাজ্য সমূহক অংশীদাৰ হিচাপে লৈ নিজ অঞ্চলসমূহত বিকাশ আৰু নিয়োগৰ সুবিধা বৰ্ধিত হাৰত আগবঢ়াই নিবলৈ চেষ্টা কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে যে পূৰ্বৰ ইউ পি এ চৰকাৰৰ শাসনকালত এম জি এনৰেগা আঁচনিৰ অধীনত কেৱল ২লাখ ১৩ হাজাৰ কোটি টকা ব্যয় কৰা হৈছিল। ইয়াৰ বিপৰীতে বৰ্তমানৰ চৰকাৰখনে **জী ৰাম জী** আঁচনিৰ অধীনত ২০২৪-২৫ বৰ্ষৰ বাবে ৮৬হাজাৰ কোটি টকাৰ আৱণ্টন দিয়া হৈছে। লগতে তেতিয়াৰ ৪৮ শতাংশ মহিলাৰ অংশগ্ৰহণৰ বিপৰীতে বৰ্তমান ৫৭শতাংশলৈ বৃদ্ধি পাইছে।

০০০০০০০

প্ৰাক্তন প্ৰধানমন্ত্ৰী ভাৰতৰত্ন সন্মানেৰে বিভূষিত অটল বিহাৰী বাজপেয়ীৰ ১০১ সংখ্যক জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ জীৱন আৰু আদৰ্শৰাজিৰ সন্মানাৰ্থে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ উত্তৰ প্ৰদেশৰ লক্ষ্নৌত ৰাষ্ট্ৰ প্ৰেৰণা স্থল মুকলি কৰিব। ঐতিহাসিক ৰাষ্ট্ৰীয় স্মাৰক আৰু ৰাষ্ট্ৰীয় গুৰুত্বৰ প্ৰেৰণা চৌহদ হিচাপে এই ৰাষ্ট্ৰ প্ৰেৰণা স্থল বিকশাই তোলা হৈছে। নেতৃত্বৰ প্ৰমূল্যৰাজি, ৰাষ্ট্ৰীয় সেৱা, সাংস্কৃতিক চেতনা আৰু জন প্ৰেৰণাৰ প্ৰসাৰৰ বাবে ৰাষ্ট্ৰীয় সম্পদ হিচাপে প্ৰায় ২৩০ কোটি টকা ব্যয়েৰে ৬৫ একৰ ভূমিত এই চৌহদ নিৰ্মাণ কৰা হৈছে। চৌহদত ড০ শ্যামা প্ৰসাদ মুখাৰ্জী, পণ্ডিত দীনদয়াল উপাধ্যায় আৰু অটল বিহাৰী বাজপেয়ীৰ ৬৫ ফুট উচ্চতাৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্তি স্থাপন কৰা হৈছে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজিৰেপৰা এঘাৰ দিনীয়াকৈ ওড়িশা ৰাজ্যৰ বাৰ্গৰত অনুষ্ঠিত হ'বলগীয়া **ধনু যাত্ৰা**ৰ বাবে ওড়িশাৰ লগতে দেশৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে পৃথিৱীৰ ভিতৰতে আটাইতকৈ ডাঙৰ থিয়েটাৰ মহোৎসৱ হিচাপে অভিহিত মুকলি থিয়েটাৰ মহোৎসৱে সুকীয়া পৰিচয়েৰে থিয়েটাৰ প্ৰেমীসকলক আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে। তেওঁ লগতে ধৰ্মীয় আখ্যানৰ পৰিৱেশনেৰে চহৰখনৰ আকাশ-বতাহ মুখৰিত পৰিৱেশৰ কথা উল্লেখ কৰি মহোৎসৱৰ সাফল্য কামনা কৰিছে।

০০০০০০০

বিশ্ব বিখ্যাত **ধনু যাত্ৰা** শীৰ্ষক মুকলি থিয়েটাৰ মহোৎসৱ আজিৰেপৰা এঘাৰদিনীয়া কাৰ্যসূচীৰে ওড়িশা ৰাজ্যৰ বাৰ্গৰত অনুষ্ঠিত হ'ব। শ্ৰীকৃষ্ণ আৰু কংসৰ আখ্যানত ধৰ্মীয়,পৰম্পৰাগত তথা পৰিৱেশ্য কলাৰ সংযোগ ঘটা এই মহোৎসৱৰ উদ্বোধনী অনুষ্ঠান আজি সন্ধিয়ালৈ অনুষ্ঠিত হ'ব। এই মহোৎসৱত সমগ্ৰ বাৰ্গৰ চহৰখন কলাৰ এখন জীৱিত মঞ্চলৈ পৰিৱৰ্তিত হৈ পৰে। সমগ্ৰ বিশ্বৰ ভিতৰতে সবাতোকৈ ডাঙৰ থিয়েটাৰ মহোৎসৱ হিচাপে জনপ্ৰিয় এই অনুষ্ঠানত সমগ্ৰ নগৰখনত প্ৰভূ শ্ৰীকৃষ্ণৰ লীলা আৰু কংসৰ ৰাজত্বকালৰ বিভিন্ন ঘটনা-পৰিঘটনাক মূল উপজীব্য হিচাপে লৈ বিভিন্ন আখ্যানৰ পৰিৱেশন কৰা হয়। বিশেষকৈ এই সময়চোৱাত অভিনয়ৰ জৰিয়তে তোলা মহাৰাজ কংসৰ অট্টহাস্যৰ শব্দই গোটেই বাৰ্গৰ চহৰখন মুখৰিত কৰি তোলে। লগতে শ্ৰীকৃষ্ণৰ লীলাসমূহৰ বিভিন্ন মাধ্যমেৰে পৰিৱেশ্য কলাৰ মাজেৰে পৰিবেশন কৰিবলৈ নন্দ ৰজাৰ সভাঘৰ আৰু ৰংগমহলৰ চিহ্নৰে মঞ্চ সজাই তোলা হয়। এঘাৰদিনীয়া এই মহোৎসৱৰ সময়চোৱাত বাৰ্গৰ চহৰখনত

অভিনেতা আৰু দৰ্শক সকলো একাকাৰ হৈ সাধু কথাৰ ৰূপেৰে মহোৎসৱ পালন কৰে। ধনু যাত্ৰাৰ এই মহোৎসৱ উপভোগ কৰিবলৈ ওড়িশা আৰু দেশৰ বিভিন্ন ঠাইৰ পৰ্যটক আহি ইতিমধ্যে উপস্থিত হৈছে।

0000000

সমাপ্ত